# বন্তি শেনছোৱাৰ চুটিগল্পত নাৰী চৰিত্ৰ

## (‘জল ভৰি যশোদা’ আৰু ‘দুপৰৰ পাৰ চৰাই’ চুটিগল্পৰ আধাৰত)

## Representation of Women in Banti Shenchowa's Short Stories: (With Special Reference to ‘*Jal Bhori Yashoda’* and ‘*Duporar Par Sorai’)*

**উৎপল মেচ**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
মৰিগাঁও মহাবিদ্যালয়, অসম

## ABSTRACT

*From the beginning stage of Assamese short story female characters are presented seriously in the social context. As a contemporary writer Bonti Senchowa is conscious of the dignity of women. Starting her journey as a short story writer in the twenty-first century, she gives space to various aspects of women in modern and rural life. Through her stories, she sheds light on various aspects of women's lives from childhood to old age. Two stories by the author who attempt to highlight various aspects of women's real social problems in her own style have been accepted for this research paper.Here is an attempt to discuss that her story 'Jal Bhari Yashoda' consulting womens' suffering from insecurity in different societies at different times and the story 'Dupar Par Charai' discussing girls' minds or personalities are neglected in poor societies. This discussion attempts to explore the social problems faced by women in modern society and the factors behind these problems. Both stories give a glimpse of the influence of time, society and people on the physical and mental structure of women in different backgrounds In this context, an attempt is made to draw conclusions about the mental reactions of the characters and the message the storyteller conveys to the society.*

**Keywords**-Women, Society, Short Story, Social Problem, Modern and Rural Life.

### ০.০ অৱতৰণিকা

বন্তি শেনছোৱা সাম্প্ৰতিক অসমীয়া সাহিত্যৰ এগৰাকী বলিষ্ঠ গল্পকাৰ। একবিংশ শতিকাৰ আৰম্ভণিৰেপৰা গল্প লিখি থকা গল্পকাৰগৰাকীৰ গল্পৰ উপজীব্য হ’ল চহৰ আৰু নগৰৰ দুয়োটা পটভূমিত ব্যক্তিগত আৰু সামাজিক জীৱনত নাৰীয়ে সন্মুখীন হোৱা পৰিস্থিতিত নাৰী মনোজগতৰ বাসনা, প্ৰেম আদি সূক্ষ্ম অনুভূতিবোৰ। ২০০০ চনত ‘শ্ৰীময়ী’ আলোচনীত ‘জল ভৰি যশোদা’ গল্পটোৰে অসমীয়া সাহিত্যত আত্মপ্ৰকাশ কৰা শেনছোৱাৰ প্ৰথম গল্প সংকলন হ’ল নিষাদ গান্ধাৰ (২০০৩)। ইয়াৰ পৰৱৰ্তীকালত গল্পকাৰগৰাকীৰ প্ৰকাশিত গল্প সংকলনকেইটা হ’ল সৰল আৰু সুন্দৰ (২০০৬), দুপৰৰ পাৰ চৰাই (২০০৯) আৰু মৌ-সৰা (২০১১)। নাৰীৰ সামাজিক স্থিতি, সমাজ তথা পৰিয়ালৰ প্ৰতি নাৰীৰ

দায়িত্ব, নাৰীয়ে পোৱা মৰ্যাদাৰ লগতে নাৰীকেন্দ্ৰিক লোক সাংস্কৃতিক প্ৰসংগই তেওঁৰ গল্পত ঠাই পাইছে। তেনে কিছু বৈশিষ্ট্যৰে সমৃদ্ধ তেওঁৰ দুটা গল্প হ'ল জল ভৰি যশোদা আৰু দুপৰৰ পাৰ চৰাই। দুয়োটা গল্পত বৰ্ণিত নাৰী চৰিত্ৰবোৰৰ জীৱনপৰিক্ৰমাত সংঘটিত ঘটনা পৰিঘটনাৰ মাজেৰে নাৰীৰ সামাজিক নিৰাপত্তাৰ স্বৰূপ ফুটি উঠা দেখা যায়।

বন্তি শেনছোৱাই প্ৰায়বোৰ চুটিগল্পত নাৰীৰ সমাজ সচেতন দৃষ্টিভংগীৰে নাৰী চৰিত্ৰৰ অংকন কৰিছে। নাৰী জীৱনৰ লগত জড়িত সামাজিক সমস্যা, নিৰাপত্তাজনিত বিষয়বোৰৰ লগতে ইয়াক প্ৰত্যাহ্বানৰূপে গ্ৰহণ কৰা মানসিকতাৰ অধিকাৰীৰূপে নাৰী চৰিত্ৰবোৰক গল্পৰ মাজেৰে তুলি ধৰাৰ প্ৰয়াস পৰিলক্ষিত হয়। মানুহে যিখন সমাজত বসবাস কৰে, সেইখন সমাজৰ কল্যাণৰ বিভিন্ন দিশ আৰু স্তৰৰ পৰিপ্ৰেক্ষিতত নাৰীৰ সামাজ জীৱন বিষয়ক প্ৰসংগ সামৰি লয়। জীৱনক বিপদাপন্ন কৰি তোলা সামাজিক ব্যাধিবোৰক অতিক্ৰম কৰি জীৱন যাপন কৰাটো প্ৰতিজন মানুহৰে কাম্য আৰু তেওঁৰ গল্পৰ নাৰী চৰিত্ৰ এনেধৰণৰ বৈশিষ্ট্যৰে মূৰ্তমান। দৰিদ্ৰতা, নিৰক্ষৰতা, বেমাৰ-আজাৰ, শোষণ, অক্ষমতা, নিয়োগহীনতা আদি সামাজিক ব্যাধিবোৰে নাৰীৰ বাবে কঢ়িয়াই অনা সামাজিক নিৰাপত্তাহীনতাক গল্পকাৰে উপলব্ধি কৰে। ব্যক্তিগত আৰু সামাজিক জীৱনত মনস্তাত্ত্বিক আৰু পাৰিপাৰ্শ্বিক স্তৰত এই সমস্যাবোৰৰ পটভূমিত 'জল ভৰি যশোদা' আৰু 'দুপৰৰ পাৰ চৰাই' গল্প দুটাৰ নাৰী চৰিত্ৰৰ বিষয়ে এই গৱেষণা পত্ৰৰ জৰিয়তে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**০.১ অধ্যয়নৰ উদ্দেশ্য**

অসমৰ সমাজ জীৱনৰ প্ৰেক্ষাপটত নাৰী চৰিত্ৰৰ বিভিন্ন দিশ ফুটি উঠা গল্পৰ ভিতৰত 'জল ভৰি যশোদা' আৰু 'দুপৰৰ পাৰ চৰাই' গল্প দুটা বন্তি শেনছোৱাৰ উল্লেখযোগ্য সৃষ্টি। দুয়োটা গল্পতে শিশুৰপৰা প্ৰাপ্তবয়স্ক নাৰীক প্ৰতিনিধিত্ব কৰা এই নাৰীসকলে সন্মুখীন হোৱা বৈষম্যই সামগ্ৰিক জীৱনৰ নিৰাপত্তাজনিত সমস্যাবোৰক দাঙি ধৰিছে। দুটা পৃথক পটভূমিত গঢ় লৈ উঠা নাৰীৰ সামাজিক চৰিত্ৰৰ বিকাশত গল্পকাৰৰ দৃষ্টিভংগী কেনেধৰণৰ সেই বিষয়ে আলোচনা কৰাটোৱেই এই আলোচনাপত্ৰৰ মূল উদ্দেশ্য।

**০.২ অধ্যয়নৰ পৰিসৰ আৰু পদ্ধতি**

সংখ্যাৰ ফালৰপৰা অসমীয়া সাহিত্যত বন্তি শেনছোৱাৰ গল্পৰ সংখ্যা চল্লিশতকৈও অধিক। প্ৰস্তাৱিত আলোচনা পত্ৰত তেখেতৰ নিষাদ গান্ধাৰ গল্প সংকলনৰ 'জল ভৰি যশোদা' শীৰ্ষক গল্পটো আৰু দুপৰৰ পাৰ চৰাই গল্প সংকলনৰ 'দুপৰৰ পাৰ চৰাই' শীৰ্ষক গল্পটো অধ্যয়নীয় বিষয় হিচাপে গ্ৰহণ কৰা হৈছে। প্ৰস্তাৱিত

আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

## ১.০ বন্তি শেনছোৱাৰ চুটিগল্পত নাৰী চৰিত্ৰ

### ১.১ 'জল ভৰি যশোদা' গল্পত নাৰী চৰিত্ৰ

জল ভৰি যশোদা গল্পটোৰ তিনিটা মুখ্য চৰিত্ৰ চাৰুলতা, ৰুণ, পাহি তিনিও তিনিটা প্ৰজন্মক প্ৰতিনিধিত্ব কৰে। গল্পটোত গল্পকাৰে নাৰীৰ দেহ-মনৰ বিকাশ আৰু বৃদ্ধিৰ বিপৰীতে পুৰুষৰ অস্বাভাৱিক যৌন আচৰণ আৰু লালসাৰ ছবি অংকন কৰিছে। পুৰুষৰ এনে আচৰণে কিদৰে নাৰীক শাৰীৰিক আৰু মানসিকভাৱে দুৰ্ব্বল কৰি তোলে সেই বিষয়ে গল্পটোত আভাস পোৱা যায়। গল্পটো আৰম্ভ হৈছে স্কুললৈ যাওঁতে পাহিক বাটত অসভ্যালি কৰা বুঢ়া মানুহ এটাৰ প্ৰসংগৰে। স্কুললৈ আহোঁতে আৰু যাওঁতে কেইবাদিনো পাহিৰ এই অভিজ্ঞতা হৈছে। নিজকে দায়িত্বশীল বুলি ভবা মাক ৰুণৰ মনত নিজৰ অসাৱধানতাক লৈয়ে ধিক্কাৰ জন্মিছে -

"মাক হিচাপে কি তাইৰ কৰণীয়খিনি কৰাত হীন-দেঢ়ি ঘটিছে নেকি? কোনখিনিত ছিদ্ৰ বৈ গৈছে? আৰু কিয়েবা বিচাৰি আছে ৰুণে নিজে? নিজৰ কাৰণে অলপ সময়? ভাৰ্জিনিয়া উলফ্ৰ সেই একান্ত নিজা খোঁটালিটো?"
(শেনছোৱা ৬)

জীয়েকক অসভ্যালি কৰা মানুহটোৰ সন্মুখীন হ'বলৈ গৈ ৰুণে দেখিলে --

"লৰক্-ফৰক্ বৃদ্ধ। দেহ, বিশাল সময়ৰ একোণত আৰু স্মৃতি স-সাগৰৰ দূৰত্বত। যেন এইমাত্ৰ শীলভদ্ৰৰ গল্পৰ পৃষ্ঠাৰ পৰা উঠি আহি পুতেকৰ হাতত ধৰি বাৰাণ্ডাত অথৰ্ব দেহটো স্থাপন কৰিছেহি। মন বিচৰণ কৰি আছেগৈ যৌৱনৰ কোনোবা অসংলগ্ন বালিচৰত। অসহায় এটা অৱস্থা। দেহৰ স'তে স্মৃতিৰ অসহযোগিতা, বৃদ্ধ দেউতাকক চম্ভালি ৰাখিব খুজি পুতেকজন বিতত হৈছে।"
(শেনছোৱা ৬)

বৃদ্ধৰ এই আচৰণে জীয়েকৰ মানসিক জগতত পেলাব পৰা প্ৰভাৱক লৈ মাক ৰুণ শংকিত। গল্পটোৰ এই অংশৰ পাছতে কৈশোৰ সন্তানক লৈ চিন্তিত মাক ৰুণ উভতি যায় নিজৰ শৈশৱ আৰু যৌৱনৰ দিনবোৰলৈ। সামাজিকীকৰণৰ প্ৰক্ৰিয়াৰে লাভ কৰা অভিজ্ঞতাৰে পুষ্ট ৰুণৰ মনলৈ আহিছে তোলনি বিয়াৰ ৰং-ৰহইচ আৰু উৎসৱমুখৰ পৰিবেশৰ কথা। ৰুণে কলপটুৱা, কলপুলি, বাঁহৰ আঁহ আদি সামগ্ৰীৰে সজা বেই, পানী তুলিবলৈ যোৱা বিয়ানাম, ৰভাতলিত কইনাক কেন্দ্ৰ কৰি পালন কৰা নীতি নিয়মবোৰ যেনে আখৈ বিলোৱা, কনাই কোলাত লোৱাৰসজল স্মৃতি ৰোমন্থন কৰে। কৃষিভিত্তিক তথা গ্ৰাম্য সামাজিক পৰিবেশত ডাঙৰ দীঘল হোৱা ৰুণৰ দৰে এজনী ছোৱালীৰ মন সাংস্কৃতিক চেতনাৰে অধিকাৰী হোৱাৰ সম্ভাৱনাবোৰ গল্পকাৰে আঙুলিয়াই দেখুৱাইছে। কিন্তু নাৰীৰ এনে সাংস্কৃতিক আৰু মানসিক বিকাশৰ পথবোৰ মসৃণ নহয়। হত্যা, লুণ্ঠন, ধৰ্ষণৰ খবৰ ছপোৱা বাতৰি কাকতৰপৰা জীয়েকক আঁতৰাই ৰাখিবলৈ চেষ্টা কৰে। মাক ৰুণেও স্মৰণ কৰে যে নাৰী হিচাপে শৈশৱ কালতে তাই গগন খুড়ায়েকৰ হাতত তেওঁৰ ঘৰত থকা আলমাৰিৰ কিতাপবোৰ পঢ়িবলৈ যাওঁতে তেওঁৰ হাততে যৌন নিৰ্যাতনৰ বলি হৈছিল। কাষলতিৰ তলেৰে হাত দুখন ভৰাই তেওঁ তাইক ওপৰলৈ দলি মাৰি মাক

চাৰুলতাৰ আগত ৰুণৰ প্ৰশংসা কৰে। মানুহজনৰ কেকোঁৰাহেন হাত দুখনৰপৰা নিজক বচাবলৈ তাই চট্‌ফটাই থাকে। কিতাপৰ মাজত বিচৰণ কৰি ফুৰা ৰুণক গগণ খুড়াই আমনি কৰে --

"তাইৰ কোমল গালত বাৰে পতি নিজৰ খেৰ্খেৰিয়া গালখন লগাই দিয়ে। কোনোবা দিনা ভূচিত্ৰাৱলীত চিনাকি ঠাইবোৰৰ নাম বিচাৰি আছে , তেনেকুৱাতে খুড়াই চেপা মাৰি ধৰি লৈ কোলাত বহুৱাব। অসহ্যকৰ। ... ডিঙিত এটা গৰম উশাহৰ উমান পাই ঘূৰিব খোজোতেই পিছফালৰ পৰা ডাংকোলাকৈ ল'লে গগন খুড়াই। হাত-ভৰি আচাৰি প্ৰাণ-পণে নামিব খুজিলে তাই।... গোটেই গাটোত এসোপা শূলে বিন্ধিছে। হাতোৰাৰ দৰে হাত, চিকাৰী কুকুৰৰ দৰে দাঁত। নিৰ্দয় নিষ্পেষণৰ পৰা উদ্ধাৰ পাবলৈ তায়ো খুড়াৰ নোমাল হাতখনত প্ৰাণটাকি নিজৰ গাখীৰ দাঁত দুটা বহুৱাই দিলে। দুৱাৰডলিৰ চৌকাঠত এৰি আহিল সোঁ ভৰিৰ বুঢ়া আঙুলিৰ নখৰ তলৰ মঙহ।" (শেনছোৱা ১২)

এনে নিৰ্যাতনৰ সন্মুখীন হোৱাৰ পিছত কোমল বয়সীয়া ৰুণক হতাশা, মনোকষ্টই আগুৰি ধৰাটো স্বাভাৱিক কথা। বয়সৰ লগে লগে তাইৰ শাৰীৰিক বিকাশ হোৱাটো এক স্বতঃফূৰ্ত প্ৰক্ৰিয়া, কিন্তু গগন খুড়াৰ আচৰণ দেখি কেনেকৈ সচেতন হৈ থাকি নিজৰ শৰীৰটোক ৰক্ষা কৰি থাকিব লাগে সেই কথা ৰুণে বুজি উঠিছে। একেদৰে বৃদ্ধৰ লালসা,লোভ দেখি দৈহিক নিৰাপত্তাজনিত আশংকাত ভুগিছে ৰুণৰ জীয়েক পাহিও। গগন খুড়াৰ হাতত যৌন নিৰ্যাতনৰ বলি হোৱাৰ পাছত নিজৰ শৰীৰটোৰ প্ৰতি ৰুণৰ মনত ঘৃণাৰ জন্ম হৈছে --

"তেনেহ'লে তাইৰ এয়া পূৰঠ বাউসী, মসৃণ ডিঙি, নিতোল কৰঙণ, টিপ যেন বুকুৰ চকলা-চকল দাগবোৰত অজস্ৰ বিছাৰ হেজাৰ হেজাৰ শুং সোমাই আছে? তেল পিছল গাল দুখনত কৰ্কশ এসোপা নুতি। নিজৰ গাটোৰ প্ৰতি তীব্ৰ ঘৃণাত তাইৰ মুখখন বিকৃত হৈ গ'ল।"

(শেনছোৱা ১২)

দৰিদ্ৰ আৰু সাধাৰণ পৰিয়াল একোটাৰ ঘৰৰ কন্যা বিয়া দিয়াৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সম্পৰ্কীয় ইংগিত গল্পটোত পোৱা যায়। গল্পটোৰ এটা চৰিত্ৰ ৰমলা পেহীয়ো কইনাৰ সাজেৰে এদিন বেলেগৰ ঘৰলৈ বুলি ওলাইছিল। কিন্তু আঠমঙলালৈ বুলি আহি ঘৰলৈ ঘূৰি নগ'ল। নামমাত্ৰ বিয়া হৈ গোটেই জীৱন অকলশৰীয়াকৈ থাকিবলগীয়া হোৱাটো গ্ৰাম্য সমাজৰ নাৰীৰ সামাজিক নিৰাপত্তাহীনতাৰ আন এক দিশ। আনহাতে কন্যাৰ বিয়াৰ সময়ত নূন্যতম বস্তুক উপহাৰ বুলি ক'ব বিচৰা হৈছে যদিও ই পৰম্পৰালৈ ৰূপান্তৰিত হৈ যৌতুকৰ দৰে সমস্যাৰ সৃষ্টি কৰিছে। পৰিৱৰ্তনমুখী আধুনিক সমাজ ব্যৱস্থাত কৃষিভিত্তিক গ্ৰাম্য সমাজৰ তোলনী বিয়াকেন্দ্ৰিক লোকাচাৰবোৰৰ বিলুপ্তি ঘটিল, ইয়াৰ পৰিৱৰ্তে ভোগবাদী সমাজৰ নতুন আচাৰ-অনুষ্ঠানে নাৰী নিৰ্যাতনত কেনেকৈ

ইন্ধন যোগাব পাৰে, তাক কৌশলগতভাবে গল্পকাৰে দেখুৱাইছে-

“এতিয়া তোলনি বিয়াৰ ৰং-ৰহইচ আৰু লোকাচাৰ নিৰুদ্দেশ। নতুনকৈ তাৰ ঠাই দখল কৰি বহিছে তোলনি বিয়াৰ ভোজ-ভাতে। কাঠফুলাৰ দৰে বাঢ়ি আহিছে ব্যয় বহুল আপ্যায়ন। চহৰৰ উপক_ৰপৰা গাঁৱলৈকে দুৰন্ত গতিৰে ধাৱমান হৈছে ভোগবাদৰ ৰোগ।... লাহে লাহে তোলনি বিয়াৰ ভোজ-ভাতৰ ব্যয়-বাহুল্যয়ো কন্যা সন্তানৰ মাক-বাপেকৰ মূৰৰ কামোৰণি কৰেগৈ নেকি কোনে জানে।” (শেনছোৰা ৯)

ৰুণহঁতৰ গাঁওখনলৈ পৰিৱৰ্তন আহিছে নৈত মথাউৰি সজাৰ কাম আৰম্ভ কৰাৰ পাছৰপৰা। উদ্যোগীকৰণ আৰু আধুনিকীকৰণৰ প্ৰভাৱত মানুহৰ মাজত ভাব অনুভূতিৰদ্বাৰা গঢ় লৈ উঠা সহজ-সৰল সম্পৰ্কবোৰ যান্ত্ৰিক সম্পৰ্কলৈ পৰিৱৰ্তন হৈছে, সমাজত নতুন সমস্যাই গঢ় লৈ উঠা দেখা গৈছে। ৰুণ, অনিমা, পূৰবী, পূৰবী, তুলিহঁত কলেজলৈ বুলি ওলাই যোৱাৰ বাটটোত হৰেক কিচিমৰ আড্ডা বহিবলৈ ধৰাত নিৰাপত্তাজনিত কাৰণত সিহঁতে সেই বাট এৰি শিমলুতলৰ বাটটোৰে কলেজলৈ যাবলৈ সিদ্ধান্ত লৈছে। পঞ্চমী চৰিত্ৰটোৰ অৱতাৰণাৰ জৰিয়তে গাঁৱত সংঘটিত অসামাজিক কাৰ্যকলাপৰ বিষয়ে ইংগিত দিয়া হৈছে। গাঁৱত এমূৰীয়াকৈ থকা পঞ্চমীহঁতৰ ঘৰলৈ মথাউৰি সজা মানুহবোৰ আহিবলৈ ধৰিল। কিছুদিনৰপৰা তাই ঘৰৰপৰা ওলোৱাও বন্ধ হ’ল। তাইৰ চৰিত্ৰক লৈ সমাজত এক কৌতূহলৰ উদয় হ’ল। তিৰোতাসকলে মেল মাৰিবলৈ ধৰিলে। নিশ্চিত ন’হলেও এই বাতৰি বিয়পি পৰিল যে কোনোবা এটা সন্ধ্যা চৰকাৰী হস্পিতেলৰ ডাক্তৰ নাৱত উঠি গাঁওখনৰ ফালে আহি থকা দেখিছিল। এই বাৰ্তাই পঞ্চমীয়ে গৰ্ভপাত কৰোৱাৰ সন্দেহ উদ্ৰেক কৰে। তাইৰ আচৰণগত পৰিৱৰ্তন গল্পকাৰে দেখুৱাইছে এনেদৰে --

“আগৰে পৰা ৰচকী ছোৱালী। নিমাখিত মাক দেউতাক। শাসনৰ ‘শ’ টোও নাছিল ঘৰখনত। আকৌ বু বু বা বা। ছোৱালীজনীৰ মুখত উগ্ৰ প্ৰসাধন। সৰ্ব শৰীৰতে ধুমুহা পাৰ হৈ যোৱাৰ চিন স্পষ্ট। বহি যোৱা কান্ধ। শেঁতা পৰা গাৰ বৰণ।” (শেনছোৰা ১৮-১৯)

যেতিয়া ৰুণ বিয়াসূত্ৰে আঁতৰি গ’ল, গাঁওখনলৈ আহিল নামি আহিল এক সন্ত্ৰাসজৰ্জৰ পৰিৱেশ। এই পৰিৱেশৰ পটভূমি হ’ল বিদেশী বহিষ্কাৰ আন্দোলনৰ পাছত জন্ম হোৱা উগ্ৰপন্থী সংগঠন আলফাই চলোৱা কাৰ্যকলাপ। সংগঠনটোৰে বিভিন্ন কূটাঘাতমূলক কাৰ্যৰে যোৱা কেইবাটাও দশকত অসমীয়া সমাজত সন্ত্ৰাসৰ সৃষ্টি কৰে। লক্ষণীয়ভাৱে, সমাজ জীৱনলৈ নামি অহা সংঘৰ্ষৰ মূল ভুক্তভোগী হৈ পৰে নাৰীসকল। সন্ত্ৰাসজৰ্জৰ পৰিস্থিতিত নাৰীয়ে পাহৰি পেলায় তুলসী তলত চাকি জ্বলোৱাৰ কথা। চাৰুলতাইয়ো পূৰ্বৰ দৰে মুগা চুণ্ডীয়াৰ

গীত গাবলৈ এৰিলে। সন্ত্ৰাসবাদৰ পৰিণতিস্বৰূপ হিংসা, অশান্তিকৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সাক্ষী হৈ পৰে চাৰুলতা। চাৰুলতাৰ দৰে প্ৰতিজনী গাঁৱলীয়া তিৰোতাই ঘৰৰ পুত্ৰ, স্বামীৰ সন্ধানত অহা পুলিচ মিলিটাৰীৰ প্ৰশ্ন আৰু নিৰ্যাতনৰ সন্মুখীন হ'বলগা হয় --

"বাঘিনীৰ দৰে সদা সতৰ্ক হৈ থাকিব লাগে চাৰুলতা। সৰল কিন্তু নিবনুৱা ডেকা ল'ৰাৰ মাক হোৱাৰ যাতনা চাৰুলতাক সোধা। হোজা নিমাখিত স্কুল শিক্ষকৰ ঘৰিণী হোৱাৰ অপৰাধ চাৰুলতাৰ পৰা শিকা। বিনা দোষতো বিনা কাৰণতে বন্দুকৰ নলীৰ আগত প্ৰশ্ন। আতঙ্ক আৰু আতঙ্ক।" (শেনছোৱা ২১)

**১.২ 'দুপৰৰ পাৰ চৰাই' গল্পত নাৰী চৰিত্ৰ**

দুপৰৰ পাৰ চৰাই গল্পটোত আৰ্থ-সামাজিক প্ৰেক্ষাপটত নাৰীৰ নিৰাপত্তাজনিত প্ৰসংগই ঠাই পাইছে। গল্পটোত বৰ্ণিত অনুসৰি আৰ্থিকভাৱে দৰিদ্ৰ পৰিয়াল এটিত অভাৱ অনাটনৰ মাজেৰে মামণি ডাঙৰ হৈছে। দৰিদ্ৰতাৰ দৰে সমস্যাই মামণিৰ দৰে অনেক শিশুৰ জীৱনৰ মৌলিক প্ৰয়োজনখিনিৰ অভাৱে জীৱন যাপন দুৰূহ কৰি তুলিছে। স্বামীক অকালতে হেৰnওৱা মাকে মামণিৰ হাততে ভায়েকক গুজি আনৰ ঘৰত কাম বন কৰি দুবেলা দুমুঠি যোগাৰ কৰে। যিদিনা একো এটা যোগাৰ কৰিব নোৱাৰিব, নিজৰ খঙটোৰে গালি-গালাজ নাইবা প্ৰহাৰ কৰা হয় পেন্দুকণা ল'ৰা-ছোৱালীকেইটাক। মামণিৰ শিক্ষা বা ভৱিষ্যৎ সম্পৰ্কীয় কোনো কথাক লৈ মাকৰ উদ্বিগ্নতা পৰিলক্ষিত নহয়। কন্যা সন্তান হিচাপে মাকজনী কৰ্মক্ষেত্ৰত নিয়োজিত হৈ থাকিবলগা হোৱাৰ বাবে মামণিয়ে তাইৰ ভায়েকৰ ৰখীয়া হৈ থাকিব লাগে। ঘৰুৱা কাম-বনতো মাকক তাই সহায় কৰিবলগীয়া হয়। মামণিৰ আৰ্থিক আৰু সামাজিক নিৰাপত্তাৰ বিষয়টো পৰিয়াল বা মাকৰ দৃষ্টিত তল পৰি ৰৈছে। অৰ্থ উপাজৰ্নৰ কামত নিয়োজিত হ'বলগা হোৱাৰ বাবে তাইৰ মাকৰ শৰীৰ দুৰ্ব্বল হোৱাৰ লগতে তেওঁ খিঙখিঙীয়া স্বভাৱৰ । মামণিয়ে লক্ষ্য কৰিছে যে তাইৰ লগৰ বুলবুলিৰ মাক অনবৰতে এনেকৈ খঙত টিঙিৰি তুলা হৈ নাথাকে। তাইৰ লগৰ বুলবুলিৰ মাকৰ খং ৰাগবোৰ কম, দেউতাকেই দুবেলা দুমুঠিৰ যোগাৰ কৰে। অৱশ্যে কেতিয়াবা গিৰীয়েকৰ হাতত প্ৰহৃত হৈ বুলবুলিৰ মাকে কন্দা মামণিয়ে লক্ষ্য কৰিছে। এই প্ৰসংগই আৰ্থ-সামাজিক সমস্যাত জৰ্জৰিত সমাজখনত সংঘটিত ঘৰুৱা হিংসাৰ দিশটো উন্মোচন কৰে। আনহাতে ভাতসাজ যোগাৰ কৰিব নোৱাৰিলেই মাকে মামণিক সৰু সুৱা কথাতে চৰ, ভুকু, চুলি জোকৰা, বাঘচকা দিয়ে --

"হাতত সাজটোৰ যোগাৰ এটা আনিব নোৱাৰাৰ দিনাখন, নামমাত্ৰ জগৰতে মামণিহঁতক দকচি হয় শাওপাত দিব, নহয় বাঘচকা দিব। ... যিদিনাখন চৰুত জুই নজ্বলে , মাকজনী কেচাঁইখাতী হৈ জগতখনৰ ওপৰত জ্বলি থাকে। চৰুৰ তলত জুই জ্বলাৰ দিনা কথা বেলেগ। পেটটি ভৰাৰ পিছতে আৰম্ভ হ'ব দুখৰ বকলা।"

(শেনছোৱা ১০)

এদিন চহৰৰপৰা গাঁৱলৈ বনকৰা ছোৱালীৰ সন্ধানত ধাপলি মেলা এঘৰ মানুহে মামণিক লগত লৈ যায়। মামণিৰ কাম হ'ল ঘৰখনত পৰিয়ালটোৰ অকণমানি ছোৱালী মাইনাক লগ দিয়া। তাত থাকিবলৈ লোৱাৰপৰা তাইৰ সাজ-পোছাক পৰিপাটীকৈ পিন্ধিবলৈ ল'লে , মাত কথাবোৰ সলনি হ'ল। তাই লৈ যোৱা মানুহঘৰেও তাইৰ ককায়েকৰ বাবে কিছু কিতাপ পত্ৰ , লেম্প এটাৰ যোগান ধৰিলে আৰু মাক, ভায়েকলৈয়ো কাপোৰ কানি, টকা-পইচাৰ যোগান ধৰিলে। মাহেক বা দুমাহৰ মূৰত ঘৰলৈ অহা মামণিক মাকে আগৰদৰে কথাই প্ৰতি চৰ-ভুকু মৰাও বন্ধ হ'ল।

মামণিৰপৰা পোৱা খবৰৰ অংশ হিচাপে ২০০২ চনৰৰ ৭ জুলাইত গুৱাহাটীৰ নেটৱৰ্ক ট্ৰেভেলচৰ আস্থানত ৰাতি ধৰ্ষণৰদ্বাৰা মৃত্যুবৰণ কৰা বৰ্ণালী দেব ছোৱালী এজনীৰ হত্যাৰ প্ৰসংগ গল্পৰ মাজলৈ অনা হৈছে। এই হত্যাক লৈ সমাজৰ সকলো স্তৰতে তোলপাৰ লাগিছে। সচৰাচৰ দুপৰীয়াৰ মেল-মিটিঙত ব্যস্ত থকা মামণিৰ বাইদেৱেক বৰ্ণালী হত্যাৰ প্ৰতিবাদত ৰাজপথলৈ ওলাই আহিছে --

"বাটে-পথে তোলপাৰ লাগিছে। বৰ্ণালীৰ দশাটোৰ কাৰণে বাতৰি কাকতবোৰত বাইদেউহঁতৰ মুঠি মৰা হাতৰ ফটো। হেনো বিচাৰ লাগে। কিহৰ বিচাৰ ? কোনে কৰে বিচাৰ? কাৰ বিচাৰ? তোলপাৰ লগাই মানুহবোৰৰ মাজত একোটা কষ্টৰ হুমুনিয়াহ।" (শেনছোৱা ১৪)

নাৰীৰ নিৰাপত্তাৰ দিশটোৰ প্ৰতি এইচাম মহিলাৰ প্ৰকৃতাৰ্থত কিমান সজাগ সেই বিষয়ে গল্পকাৰে প্ৰশ্ন তুলিছে। আধুনিক শিক্ষিত সমাজত নাৰীক সাংবিধানিকভাৱে পুৰুষৰ সমানেই সকলো সুবিধা প্ৰদান কৰাৰ লগতে নাৰী অধিকাৰ আৰু নাৰী মুক্তি আন্দোলনৰ মাত্ৰা বৃদ্ধি পাছতো নাৰী নিৰ্যাতনৰ ঘটনা হ্ৰাস পোৱা নাই। নাৰীৰ ওপৰত হোৱা এনে নিৰ্যাতন বিষয়ক কোনো কথা বতৰা জীয়েক মাইনাৰ আগত নাপাতিবলৈ বাৰেপতি সকীয়াই দিয়ে,কিয়নো কোমল মনৰ জীয়েকৰ মনত ভয় সোমোৱাৰ অৱকাশ আছে। কিন্তু মাইনাৰ সৈতে একে বয়সীয়া মামণিয়ে এই কথাবোৰ জানি থ'ব লাগে বুলিহে মন্তব্য আগবঢ়ায়। এদিন মাইনা হোষ্টেলত থাকি পঢ়িবলৈ যায়। মাইনা নথকা ঘৰখনত থাকিবলৈ ইচ্ছা প্ৰকাশ নকৰা মামণিক তেওঁলোকে কামৰ অজুহাতত ৰাখি থয় আৰু তাইয়ো বাইদেৱেকহঁতৰ দুখ-সুখৰ সৈতে একাত্ম হ'বলৈ ধৰে। কিন্তু হঠাৎ এদিন তেওঁলোকে মামণিক মাকজনীৰ হাতত গতাই থৈ যায়। ইয়াৰ কাৰণ হ'ল যে মামণিক লৈ তেওঁলোকৰ মনত এক ভয় হৈছে। বয়সৰ লগে লগে বাঢ়ি অহা মামণি যিকোনো মুহূৰ্তত কাৰোবাৰ শাৰীৰিক নিৰ্যাতনৰ সন্মুখীন হ'ব পাৰে বা কামনাৰ চিকাৰ হ'ব পাৰে। যিজনী মামণিক তেওঁলোকৰ ঘৰৰ সদস্যৰ দৰে হৈ পৰিল, সেই মামণিক ঘৰত অকলে এৰি থৈ যাবলৈ ভয়

কৰা হ'ল। তদুপৰি মামণিৰ বাইদেৰেক নিজৰ মানুহটোক লৈও আশ্বস্ত হ'ব পৰা নাই --

"আৰু ছাৰজন? ছাৰজন আহে ৰণুৱা ঘোঁৰাৰ বেগত। যায়ও থিতাতে। ভিতৰত এজনী মামণি অকলে অকলে। ভয়ৰ কথা। ভাল কথা নহয় ।" (শেনছোৱা ১৪)

নাৰীয়ে নিজৰ শৰীৰটোৰ বাবেই এনে যাতনা ভুগিবলগীয়া হৈছে। গ্ৰাম্য আৰু চহৰীয়া দুয়োখন সমাজতে নাৰী নিৰাপত্তাহীনতাত ভোগে। নাৰীৰ ওপৰত হোৱা এনে নিৰ্যাতনৰ বিৰুদ্ধে নাগৰিক সমাজে প্ৰতিবাদ কৰে, ইয়াৰ দোষীৰ উচিত শাস্তি বিচাৰি ৰাজপথত প্ৰতিবাদৰ ভাষাৰে তাল-ফাল লগায়। কিন্তু এইবোৰ সমস্যাৰ কোনোদিন ওৰ নপৰে। নাৰী নিৰ্যাতন বিষয়ক যিকোনো কাণ্ড সংঘটিত হ'লে ৰাজ্যজুৰি ব্যাপক চৰ্চা আৰম্ভ হয়। সকলোৰে দৃষ্টিগোচৰ হ'ব পৰাকৈ অতিৰঞ্জিত খবৰ একাংশ সংবাদ মাধ্যমৰ প্ৰথম পৃষ্ঠাত তুলি ধৰা হয় আৰু দিন যোৱাৰ লগে লগে ঘটনাটোৱে কাকতৰ পৃষ্ঠাত গুৰুত্ব হেৰুৱাবলৈ আৰম্ভ কৰে। সেয়ে গল্পকাৰে সংবাদ মাধ্যমৰ ভূমিকাক ব্যংগৰ ভাষাৰে সমালোচনা কৰা হৈছে --

"ছদিনীয়া পুৰণি বাতৰি কাগজৰ প্ৰথম পৃষ্ঠাৰ আমি সচিত্ৰ খবৰ। দুদিনৰ পাছতে আমাৰ ঠাই পাছফালৰ বাৰাণ্ডাত। থাউকতে পালে তাইৰে খবৰ বুকুত বন্ধা আমাৰ কাগজৰ ছবিৰ ওপৰত কোনোবা মামণিয়ে আটা-ময়দা চালিব পাৰে। আমাৰ কাম মাথোন এবেলাৰ চমক ।" (শেনছোৱা ১৯)

ইয়াৰ পিছৰেপৰা মামণিয়ে পুনৰ গাঁৱলীয়া দৰিদ্ৰ জীৱন, পৰিৱেশটোৰ সৈতে সহবাস কৰিবলগীয়া হয়। ঘৰুৱা পৰিবেশত কথাই প্ৰতি তাইৰ ওজৰ আপত্তি আৰম্ভ হয়। কিন্তু এনে তাইৰ আপত্তিৰ উৎস কোনেও নুবুজে। ইমানদিনে চহৰীয়া পৰিৱেশত থাকি চলিবলৈ শিকা মামণিৰ বাবে ঘৰুৱা জীৱনৰ অসুবিধাবোৰৰ কোনো গুৰুত্ব বা মূল্য নাথাকে --

"মামণিৰ আজিকালি অনেক অসুবিধা। অসুবিধা পালেই তাই কাৰোবাক দকচি নিব খোজে। কিন্তু কাক দকচে তাই? তাই পদে পদে উজুটি খায়। ঘৰখনত চাফ-চিকুণ বোলা বস্তু এটা নাই। কৰিও চাফা কৰিব নোৱাৰি।... তাই গা ধোৱে ক'ত? তাই বাহিৰ ফুৰে কেনেকৈ? তাইৰ নিজাববীয়া কাপোৰকেইটা সামৰি থয় ক'ত? " (শেনছোৱা ১৭-১৮)

আৰ্থিক সমস্যাত জৰ্জৰিত গাঁওখনৰ মানুহবোৰে কন্যা সন্তানক শিক্ষাদান কৰাৰ কথা ভাবিব নোৱাৰে, বৰং মাক দেউতাকে সিহঁতৰ হতুৱাই কিদৰে দুপইচা অৰ্জন কৰিব পাৰি সেই কথাহে চিন্তাকৰে। দৰিদ্ৰতাৰ সুযোগ গ্ৰহণ কৰি কম পাৰিশ্ৰমিকতে শিশুক শ্ৰম কৰোৱাৰ লগতে শিক্ষাৰ অধিকাৰৰপৰা এনেদৰেই বঞ্চিত কৰা হয়। মামণিহঁতৰ গাঁৱলৈ পুনৰ বনকৰা ছোৱালীৰ সন্ধানত অহা লোকৰ আগমন ঘটে। ইয়াকে লৈ দুখীয়া মাক-দেউতাকৰ উদ্বিগ্নতা আৰু আশা দুয়োটাই লক্ষ্য কৰা যায়। সামান্য টকা-পইচা, ভাত কাপোৰৰ বাবে হাহাকাৰ কৰা পিতৃ মাতৃয়ে সকাহ পোৱাৰ আশাত কম বয়সীয়া জীয়েকহঁতক গাড়ী লৈ বনকৰা ছোৱালী বিচাৰি অহা মানুহৰ হাতত গতাই দিবলৈ কুণ্ঠাবোধ নকৰে। গল্পকাৰে দৰিদ্ৰ সমাজত

নাৰীক অৰ্থ উপাৰ্জনৰ এক আহিলা হিচাপে ব্যৱহাৰ কৰাৰ স্বৰূপটোহে উদঙাই দিছে বুলি ক'ব পাৰি-

"ভাত-কাপোৰৰ সকাহ বিচাৰি পদূলিয়ে পদূলিয়ে কিশোৰীহঁতৰ হিচাপ দিবলৈ অভাৱী মাক-দেউতাকবোৰ হাজিৰ হ'লহি। লাচনি- পাচনিখন কৰিব পৰা বয়সৰ ছোৱালীহঁতৰ হিচাপ দিলে।" (শেনছোৱা ১৮)

মামণিৰ মাক, বুলবুলিৰ মাকৰ অভাৱ-অনাটনৰ যুঁজখন চলিয়েই থাকে । মামণিহঁতৰ শিক্ষা-দীক্ষাৰ কথাটো দূৰৈৰ কথা, ভৱিষ্যত সম্পৰ্কে কোনোধৰণৰ চিন্তা কৰিবলৈ সাহস মাকহঁতৰ নাই। তেনেদৰে বৰ্ণালী হত্যা, হত্যাকাৰীৰ শাস্তিৰ পিছতো অনেক ছোৱালীৰ ধৰ্ষণ হৈ মৃত্যু হৈছে। সাধাৰণ ঘটনাৰ দৰে কণমানি শিশুৰপৰা বৃদ্ধালৈকে যৌন নিৰ্যাতনৰ বলি হয়। গল্পটোত নাৰীৰ নিৰাপত্তাক লৈ আমাৰ সমাজ-ব্যৱস্থা প্ৰকৃততে কিমান সচেতন তাৰ স্বৰূপ উদঙাই দেখুওৱা হৈছে।

## ২.০ উপসংহাৰ

বন্তি শেনছোৱাৰদ্বাৰা ৰচিত দুয়োটা গল্পতে এইদৰে দেখা যায় যে নাৰী চৰিত্ৰৰ চিত্ৰণৰ জৰিয়তে সামাজিক নিৰাপত্তা বিষয়ক প্ৰসংগই বিস্তাৰ লাভ কৰিছে। দৈনন্দিন জীৱনৰ সৰু বৰ ঘটনাৰ প্ৰেক্ষাপটত নাৰী চৰিত্ৰৰ চিত্ৰণ কৰা হৈছে। জীৱন আৰু জগত সম্পৰ্কীয় গভীৰ দাৰ্শনিক উপলব্ধিৰ পৰিৱৰ্তে তেওঁ দুয়োটা গল্পত সমাজ সচেতনতাক প্ৰশ্ৰয় দিয়া পৰিলক্ষিত হৈছে। ক্ষয়িষ্ণু সমাজ ব্যৱস্থা আৰু সামাজিক মূল্যবোধে চহৰৰ বিলাসী, ধনী শ্ৰেণী আৰু গ্ৰাম্য সমাজৰ দুইধৰণৰ নাৰীৰ জীৱনলৈ নমাই অনা ভাবুকিৰে তেওঁ পাঠক সমাজলৈ বাৰ্তা প্ৰেৰণ কৰে। এই গৱেষণা পত্ৰৰ আলোচনাৰপৰা তলত দিয়া সিদ্ধান্তকেইটাত উপনীত হ'ব পাৰি-

ক) নাৰী আৰু পুৰুষৰ মাজৰ মানৱীয় সম্পৰ্কৰ পৰিৱৰ্তে বন্তি শেনছোৱাৰ গল্পত মাতৃ-সন্তানৰ সম্বন্ধক সাৰ্থকৰূপে উপস্থাপন কৰা দেখা যায়।

খ) মাতৃ কন্যাৰ মাজত থকা সম্পৰ্ক আৰু দ্বন্দ্বৰ জৰিয়তে পৰিৱৰ্তিত সমাজ ব্যৱস্থাই নাৰীৰ মনস্তত্ত্ব আৰু চেতনাৰ ওপৰত পেলোৱা প্ৰভাৱ আৰু তাৰ প্ৰতি তেওঁলোকৰ প্ৰতিক্ৰিয়াক দুয়োটা গল্পত প্ৰতিফলিত হোৱা দেখা যায়।

গ)কন্যা সন্তানৰ নিৰাপত্তাজনিত অভিজ্ঞতাবোৰক অসমৰ সমাজ জীৱন সমস্যাৰূপে গল্পত উপস্থাপন কৰাৰ প্ৰচেষ্টা তেওঁৰ গল্পত পৰিলক্ষিত হয়।

ঘ) সমকালীন সমাজ জীৱনৰ ঘটনা, পৰিস্থিতি, পাৰিপাশ্বিৰ্ক প্ৰেক্ষাপটত শৈশৱৰপৰা কিশোৰ কাললৈকে দৈহিক আৰু মানসিক স্তৰত কন্যা সন্তানৰ বিকাশ আৰু সামাজিকীকৰণৰ স্বতস্ফূৰ্ত প্ৰক্ৰিয়াক দুয়োটা গল্পত তুলি ধৰাৰ ক্ষেত্ৰত গল্পকাৰ সফল হৈছে।

## সহায়ক গ্ৰন্থপঞ্জী

### মুখ্য উৎস

শেনছোৱা, বন্তি। দুপৰৰ পাৰ চৰাই। আখৰ প্ৰকাশ, গুৱাহাটী, ২০০৯।

শেনছোৱা, বন্তি। নিষাদ গান্ধাৰ। আখৰ প্ৰকাশ, গুৱাহাটী, ২০০৯।

**গৌণ উৎস**

কোঁৱৰ, অৰ্পণা। সম্পা. একবিংশ শতিকাৰ অসমীয়া ভাষা আৰু সাহিত্যঃ পাঠ আৰু প্ৰসঙ্গ। ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০২২।

বৰমুদৈ, আনন্দ। আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস। প্ৰকাশন শাখা, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০২৩।

বৰুৱা, প্ৰহ্লাদ কুমাৰ। অসমীয়া চুটি গল্পৰ অধ্যয়ন।বনলতা, ডিব্ৰুগড়, ২০০৫।

দত্ত, উদয়। চুটিগল্প। ষ্টুডেনচ্ ষ্ট'ৰচ, গুৱাহাটী, ২০১৮।

শইকীয়া, জ্যোতিপ্ৰসাদ। সমাজঃ সমস্যা আৰু সমাধান। বিদ্যাভৱন, যোৰহাট, ২০১৩।

********